# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

নং ঃ ২০৫/২০২০

**<u>ধুমুহাত ক্ষতিগ্ৰস্ত লেজাইৰ দুৰ্দশাগ্ৰস্ত পৰিয়ালৰ খবৰ ল'লে মুখ্যমন্ত্ৰীয়ে</u>**

**ৰাজ্যখনৰ ধুমুহাৰ ক্ষতিগ্ৰস্তসকলক শীঘ্ৰে সহায় কৰাৰ বাবে জিলা উপায়ুক্তসকলক ইতিমধ্যে নিৰ্দেশ দিয়া হৈছে ঃ মুখ্যমন্ত্ৰী**

**দিছপুৰ, ২৪ এপ্ৰিলঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ডিব্ৰুগড় জিলাৰ মৰান সমষ্টিৰ ধুমুহা বিধস্ত লেজাই অঞ্চলৰ কেইবাটাও গৃহলৈ গৈ ক্ষয়-ক্ষতিৰ বুজ লোৱাৰ উপৰি ক্ষতিগ্ৰস্ত লোকসকলৰ সৈতে মত-বিনিয়ম কৰে। প্ৰতিকূল বতৰকো নেওচি মুখ্যমন্ত্ৰীয়ে ধুমুহা ক্ষতিগ্ৰস্ত পৰিয়ালৰ গৃহলৈ খোজকাঢ়ি গৈ চৰজমিন বুজ লয়।

পৰিদৰ্শন কালত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় যে আজি কিছুদিনৰ পৰা সমগ্ৰ অসমৰ বিভিন্ন অঞ্চলত ধুমুহাই বিস্তৰ ক্ষতি সাধন কৰিছে। এই ধুমুহাৰ ফলত বহুতো পৰিয়ালৰ গৃহ বিধ্বস্ত হৈছে। গৃহৰ লগতে তেওঁলোকৰ গৃহ চৌহদত থকা তামোলবাৰী, কলবাগান ইত্যাদি বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে। প্ৰতিখন জিলাৰ উপায়ুক্তক এই ক্ষতিগ্ৰস্ত লোকৰ ক্ষয়-ক্ষতিৰ বুজ লৈ তথা চৰজমিন পৰীক্ষা কৰি অতিশীঘ্ৰে সাহায্য প্ৰদানৰ ব্যৱস্থা কৰিবলৈ ইতিমধ্যে নিৰ্দেশ দিয়া হৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। জিলা উপায়ুক্তসকলে বিভিন্ন বিভাগৰ মুৰব্বীসকলক লৈ ক্ষতিগ্ৰস্ত গাঁও সমূহৰ জৰীপ কাৰ্য চলাই আছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ক্ষতিগ্ৰস্ত জনসাধাৰণে যাতে অতিশীঘ্ৰে চৰকাৰী সাহায্য লাভ কৰিব পাৰে সেই সম্বন্ধে তৎকালীন পদক্ষেপ লোৱাৰ বাবে জিলা উপায়ুক্তসকলক নিৰ্দেশ দিয়া হৈছে বুলি তেওঁ কয়। কৰ'ণা ভাইৰাছৰ সংক্ৰমণ প্ৰতিহত কৰাৰ বাবে লক ডাউনৰ কাৰ্যসূচী ৰাজ্যখনৰ জনসাধাৰণে নিষ্ঠাৰে পালন কৰি আছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ধুমুহাত ক্ষতিগ্ৰস্ত তথা দুৰ্দশাগ্ৰস্ত ৰাইজক সকাহ দিয়াৰ বাবে ৰাজ্য চৰকাৰ দায়বদ্ধ। ধুমুহাত ক্ষতিগ্ৰস্ত জনসাধাৰণ প্ৰতি সমবেদনা জ্ঞাপন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অতি কম সময়ৰ ভিতৰত তেওঁলোকক ৰাজ্য চৰকাৰৰ তৰফৰ পৰা সহায় কৰাৰ দিশত জিলা উপায়ুক্তসকলে ব্যৱস্থা গ্ৰহণ কৰিব।

ৰাজ্যখনৰ সম্ভাব্য বানপৰিস্থিতি প্ৰতিৰোধ কৰাৰ বাবে ইতিমধ্যে ৰাজ্যৰ বিভিন্ন স্থানত মথাউৰি মেৰামতি তথা নিৰ্মাণৰ কাম আৰম্ভ হৈছে বুলি উল্লেখ কৰি সামাজিক দূৰত্ব বৰ্তাই ৰাখি মথাউৰি নিৰ্মাণৰ লগত জড়িত থকা বিষয়া-কৰ্মচাৰী তথা শ্ৰমিকসকলে এই কাম কৰি আছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে মথাউৰি নিৰ্মাণৰ লগত জড়িত ঠিকাদাৰ, অভিযন্তা, বিষয়া-কৰ্মচাৰী তথা শ্ৰমিকসকলক স্বাস্থ্য বিভাগে প্ৰদান কৰা নিৰ্দেশাৱলী তথা সামাজিক দূৰত্ব সঠিকভাৱে মানি চলি এই কাম আগুৱাই নিয়াৰ বাবেও আহ্বান জনায়।

আজিৰ এই পৰিদৰ্শনৰ সময়ত মৰান সমষ্টিৰ বিধায়ক চক্ৰধৰ গগৈ, ডিব্ৰুগড় সমষ্টিৰ বিধায়ক প্ৰশান্ত ফুকন, লাহোৱাল সমষ্টিৰ বিধায়ক ঋতুপৰ্ণ বৰুৱা, ডিব্ৰুগড় জিলাৰ উপায়ুক্ত পল্লৱ গোপাল ঝা, আৰক্ষী অধীক্ষক শ্ৰীজিথ টয়, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ বিষয়াকে ধৰি অন্যান্য সকল উপস্থিত থাকে।

**সুঃমিঃকঃ / বঃভাঃ / পুঃডেঃ / প্ৰঃকুঃব**
**২৪/৪/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com

/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in